**অনাতাৰ ধাৰাৱাহিক ৫২ খন্ড**

**বহনক্ষম বিকাশৰ বাবে অবিৰত খোজ ....**

**খন্ড ২ ঃ পানীৰ পৰাক্রম ...** **শ্যামাপ্রসাদ শৰ্মা**

চৰিত্রসমূহঃ ( মূল লেখনীৰ পৰা সামান্য আভাস লোৱা হৈছে)

১. বিজয় চক্ৰৱৰ্তী ২৪/২৫ অসম অভিযাত্রী দলৰ সদস্য

২. বিকাশ শৰ্মা ২৮/২৫ -- একে--

৩. আগৰৱাল ৫০/৫২ ৰাজস্থানৰ গাঁৱৰ গাঁওবুঢ়া

৪. ধৃতিমান ৫০/৫৫ পুৰাতত্ববিদ অধ্যাপক

৫. কানহা ভাই ৪০/৪২ দোকানী

**দৃশ্য এক**

**(ঘোষণা +শীৰ্ষক গীতৰ প্ৰথম +দ্বিতিয় কলি)**

(গঞাৰ সভা। মাইকত ক্ষীণশ্বৰে ৰাজস্থানী ভজন বাজি আছে। তাৰ মাজে মাজে সভাৰ বাবে মাইক পৰীক্ষা কৰাৰ শব্দ ঃ হেল্ল' টেষ্টিং টেষ্টিং ...)

নেপথ্য কন্ঠ ঃ মৰমৰ গাঁওবাসী ! আপোনালোকে অনুগ্ৰহ কৰি নিজৰ নিজৰ আসনত বহি লঁওক। আমি এতিয়াই আমাৰ আদৰণি সভা আৰম্ভ কৰিম...। গাঁওবুঢ়া ডাঙৰীয়া !

গাঁওবুঢ়া ঃ আজি আমাৰ গাঁওবাসীৰ বাবে বৰ আনন্দৰ দিন। .. সুদূৰ অসমৰ পৰা দুজন ডেকা অভিযাত্রী অধ্যয়ন আৰু সজাগতাৰ বাবে আমাৰ ৰাজস্থানলৈ আহিছে। তেঁওলোক অসম অভিযাত্রী দল নামৰ সংগঠনটোৰ সদস্য। মই তেঁলোকক আপোনালোকৰ সৈতে চিনাকি কৰি দিছো। ...এয়া শ্ৰী বিজয় চক্ৰৱৰ্তী ..... (হাততালি)

ৰাইজ ঃ শ্ৰী বিজয় চক্ৰৱৰ্তী ডাঙৰীয়া জিন্দাবাদ ! জিন্দাবাদ !! ওলগ জনাইছো।

বিজয়ঃ প্ৰণাম আৰু ধন্যবাদ ! (হাততালি)

গাঁওবুঢ়া ঃ আৰু এয়া শ্ৰী বিকাশ শৰ্মা ডাঙৰীয়া.... (হাততালি)

ৰাইজঃ শ্ৰী বিকাশ শৰ্মা ডাঙৰীয়া জিন্দাবাদ ! জিন্দাবাদ !! আমাৰ গাঁৱলৈ আপোনাক ওলগ জনাইছো।

বিকাশ ঃ প্ৰণাম আৰু ধন্যবাদ। (হাততালি)

গাঁওবুঢ়াঃ ৰাইজ ! বিকাশআৰু বিজয়, মানে যতেই বিকাশ তাতেই বিজয়, -- বিজয় মানে দৰিদ্ৰতাৰ বিৰুদ্ধে বিজয়, অজ্ঞানতাৰ বিৰুদ্ধে বিজয়, অপুষ্টি আৰু স্বাস্থ্যহীনতাৰ বিৰুদ্ধে বিজয় .... আৰু যে কত কি ? নহয় নে বিকাশ আৰু বিজয় ডাঙৰীয়া।

দূয়োঃ ... আপুনি বৰ সুন্দৰ উপমা দাঙি ধৰিছে আগৰৱাল দাঙৰীয়া !

বিকাশঃ গাঁওবাসী ৰাইজ ! আমি আমাৰ সাধ্য অনুসৰি দেশৱাসীৰ কামত অহা ... এক অতি গুৰুত্বপূৰ্ণ মিচনত নিজকে উৎসৰ্গিত কৰিছো।

বিজয়ঃ আমি জানিবলৈ পাই উৎসাহিত হৈছো যে আপোনালোকৰ মাজতো এনে ধৰণৰ মিচণৰ বাবে জীৱন উৎসৰ্গ কৰা লোক অনেকেই আছে। তেঁওলোকৰ কেবাজনেও আমাক এই মিচণত লগ দিব বুলি জানি ...

দুয়োঃ ... আৰু বেছি ভাল লাগিছে। (হাততালি)

ৰাইজঃ ....... বিজয় ভাই, বিকাশ ভাই জিন্দাবাদ ! জিন্দাবাদ !!

বিকাশঃ .... আমাৰ মিচণৰ গুৰিৰ কথাই হ'লগৈ বি-কা-শ ! ফটকা - ফুলজাৰীৰ দৰে হঠাৎ জ্বলি, ক্ষন্তেকতে নাইকিয়া হৈ যোৱা বিকাশ নহয়, --

বিজয়ঃ ... ক্ষন্তেকৰ বাবে চমক দি স্তিমিত হৈ যোৱা বিকাশ নহয়, --

বিকাশঃ ... মঠ - মন্দিৰ- নামঘৰৰ অক্ষয় বন্তিৰ দৰে .... স্থায়ী আৰু অক্ষয় বিকাশ,--

বিজয়ঃ ...যি প্ৰজন্মৰ পিছত প্ৰজন্মৰ জৰিয়তে যুগ যুগ চলি থাকিব, বৰ্তি থাকিব...

দুয়োঃ .... এক অবিৰাম বিকাশৰ অবিৰত খোজ ....

বিকাশঃ .... ব্যক্তিৰ বাবে, সমাজৰ বাবে, দেশৰ বাবে, জাতিৰ বাবে... আৰু

দুয়োঃ .... সমগ্ৰ বিশ্বৰে সৰ্বকালৰ মানৱতাৰ বাবে...

**(শীৰ্ষক গীত উপযুক্ত দুশাৰী)**

**দৃশ্য দুই**
**(চলন্ত গাড়ীত বিজয়, বিকাশ আৰু গাঁওবুঢ়া আগৰৱাল। গাড়ীৰ টেপত মৃদু সুৰত 'আল্লা মেঘদে ৰে পানী দে..... ..... অলপ পৰ)**

বিজয়ঃ বিকাশ ! ৯ বাজিবৰেই হ'ল। এই ব্ৰহ্মপুৰাতেই ৰ'দে দেখোন ৰুদ্ৰমূৰ্তি ধৰিছে। ... আমি প্ৰায় দুঘন্টামানেই একেৰাহে গাড়ী চলাই আহিলো...।

বিকাশঃ হয় অ' বিজয় ! .. আগৰৱাল ডাঙৰীয়া... আপোনাৰো নিশ্চয় এতিয়া চাহ- জলপান খোৱাৰ সময়।

গাঁওবুঢ়াঃ পিছে, আৰু প্ৰায় ডেৰ ঘন্টা মান গলেহে -- আমি সৰু গাঁও এখন পাম। তাতেই....

বিজয় ঃ বাপৰে বাপ ! আৰু ডেৰ ঘন্টা ! ... বাৰু আগৰৱাল ডাঙৰীয়া ! এই দুঘন্টা যে আমি প্ৰায় এশ কিলোমিটাৰ মান আহিলো, -- ৰাষ্টাৰ দুয়ো কাষে বহু দূৰলৈ দেখোন ... কেৱল বকৰাণিয়েই; ক'তো খেতি -বাতি গছ - গছনিৰ তো কথাই নাই ... অকমান সেউজ ... যান - বিল একোৰেই দেখা নাপালো...

গাঁওবুঢ়াঃ হয় বিজয় ভাই ! এই গোটেই অঞ্চলটোত গাঁও - বস্তি একোৰেই নাই... ! আপোনালোকৰ অসমৰ একদম ওলোটা, -- নহয় নে বিকাশ ভাই ?

বিকাশঃ ওঁ - ওৰ .. হ-হ-হ-য় মানে ঠিক ওলোটাই। পিছে এতিয়া... আমাৰ অসমতো কিছুমান অঞ্চলত এক বিৰল ঘটনা দেখিবলৈ পোৱা গৈছে। একেটা এলেকাৰেই .... ৰাস্তাৰ এফালে যদি নদন-বদন ধানৰ খেতি ... আনটো ফালে ... খেতি পথাৰত খৰাং হৈ ফাঁটেই মেলিছে...

গাঁওবুঢ়াঃ এইটোও কিন্তু এক ভয়ংকৰ বিপদৰ আগ জাননী, -- খৰাং হৈ ফাট মেলা পথাৰবোৰত হয় মাটীৰ তলৰ পানী বহুত ব'হি গৈছে, নহ'লে প্ৰদূষণৰ বাবে পথাৰৰ মাটীত থকা জীৱন বাষ্প হৈ উৰি গৈছে...।

দুয়োঃ আগৰৱাল ডাঙৰীয়াই ভাল যুক্তিকেই দাঙি ধৰিছে...।

বিজয়ঃ বাৰু ডাঙৰীয়া ! আৰু কিমান দূৰ গ'লে... ?

গাঁওবুঢ়াঃ আপুনি চাঁয়াত গাড়ী ৰখাই হাত-মুখ ধুই নাস্তা কৰাৰ কথা ভাবিছেতো ? .. ভয় নাখাব, বিজয় ভাই ! তাৰ বাবে আৰু আধা ঘন্টা মান লাগিব....। বিকাশ ভাই ! এই আধা ঘন্টা গাড়ীখন ...

বিকাশ ঃ ঠিকেইতো ! অলপ ড্ৰাইভাৰ সলনি হোৱা ভাল, বিজয়ৰো বিশ্ৰাম হ'ব আৰু ...

গাঁওবুঢ়াঃ ... মনটোও ভাল লাগিব আৰু আধা ঘন্টা মানৰ পিছতেই ... আমি তিনিও ... আমাৰ পৰিবাৰে অসমীয়া দোস্ত দুজনলৈ বুলি বান্ধি দিয়া ৰাজস্থানী লাৰু পিঠাৰে ... নাস্তা কৰিব পাৰিম ...... হাঃ হাঃ হাঃ

দুয়োঃ আও ৰাজস্থানী লাৰু পিঠা ! আৰে ৰে এয়াটো বেছ ভাল খবৰ ! ৰাজস্থানী ভাভীজী.... জিন্দাবাদ ! জিন্দাবাদ !!

**দৃশ্য ৩**

## (কেইবা শ বছৰ পুৰনি বটগছৰ তলত তিনিও চাহ -জলপান খোৱা শেষ কৰি...)

বিজয়ঃ বাঃ ! বৰ বঢ়িয়া লাড়ু- পিঠা খালো দেই ভাই।

বিকাশঃ হয় দে ভাই দেহ-মন একেবাৰে শাঁত পৰি গ'ল।

দুয়োঃ ঠেংক ইউ ! ঠেংক ইউ ভেৰী মাচ .... আমি এতিয়ালৈকে লগ নোপোৱা ৰাজস্থানী ভাভিজী ... হাঃ হাঃ হাঃ

বিজয়ঃ আৰু....আৰু.... প্ৰণাম তথা সেৱাহে হে এই প্ৰাচীন বটবৃক্ষ।

বিকাশঃ ভোকে - পিয়াহে কষ্ট পোৱা এই তিনি পথিকক এই প্ৰখৰ ৰ'দত ছাঁ দি ৰক্ষা কৰা বাবে...

তিনিওঃ ... তোমাক শতকৌটি প্ৰণাম !! শতকৌটি প্ৰণাম !!

(শঙ্খ - ঘন্টাৰে আৰতিৰ বাদ্য)

গাঁওবঢ়াঃ আমাৰ দৰে আপোনালোকেও গছ - বিৰিখক পূজা দিয়ে নহয় ??

বিজয়ঃ এইটো কেৱল আমাৰ অসম বা আপোনালোকৰ ৰাজস্থানৰেই নহয় -- গোটেই ভাৰতবৰ্ষৰেই এক প্ৰাচিন পৰম্পৰা।
বিকাশঃ বাৰু আগৰৱাল ডাঙৰীয়া ! ...মৰুভূমিৰ দৰে বিৰাট বিশাল এই বকৰানিত .. এই বিশাল

গছডাল..।
গাঁওবুঢ়াঃ আচৰিত হ'বৰেই কথা বিকাশ ভাই। শুনিলে আপোনালোকো আচৰিতেই হ'ব।

**(স্মৃতিৰোমন্থনৰ কৰুণ সংগীত)**

এই বৃহৎ এলেকাটো এসময়ত আজিৰ দৰে মৰুময় বা বকৰাণি নাছিল। আছিল দুয়োফালে দুটা সম্প্ৰদায়ৰ বাসস্থান....
(ৰাজস্থানী লোকসংগীত আৰু বাদ্য আদিৰ আনন্দ উচ্চল সংগীত)
এই গছডালৰ দুয়োফালে দুটা বিৰাট জলাশয় আছিল... দুয়োটা জলাশয়ৰ মাজৰ অংশত এই বটবৃক্ষ আৰু পূৰা গ'ধুলি ... ইয়াৰ আশ্ৰয়ত থকা চৰাই - চিৰিকতিবোৰৰ কল কাকলিৰে মুখৰিত এই বিৰাট এলেকাটো ..... (অনুৰূপ সংগীত)
বিকাশঃ হা্ৰঁৰে ... বৰ আমোদজনক কথা তো!!
বিনয়ঃ কিন্তু সেই বিৰাট জলাশয় দুটাৰ এটাৰো দেখোন এতিয়া চিন-চাবেই নাই। .. হঠাৎ, হঠাৎ... এনে বিৰাট আকাৰৰ জলাশয় দুটা নোহোৱা হ'ল কেনেকৈ ভাই?

গাঁওবুঢ়াঃ .... একমাত্ৰ পানীৰ বাবেই। (সংঘাতৰ আৰম্ভ)

দুয়োঃ পা-নী-ৰ বা-বে-ই?

গাঁওবুঢ়াঃ এৰা পানীৰ বাবে কাজিয়াৰ ফলতেই ভাই, পানীৰ বাবে কাজিয়াৰ ফলতেই..
দুয়োঃ কিন্তু সেইটো কেনেকৈ সম্ভৱ হ'ব পাৰে?

গাঁওবুঢ়াঃ দুয়ো ফালে ওচৰা - ওচৰিকৈ থকা দুটা সম্প্ৰদায়, -- অনবৰতে কাঁজিয়া - পেঁচাল আৰু হৈ-চৈৰ মাজত কটোৱা দুটা সম্প্ৰদায় তেঁওলোকৰ শাসক সকলো এলেহুৱা, আৰামপ্ৰিয় আৰু প্ৰজাসকলক হাই-কাজিয়াত লাগি থাকি মৰিবলৈ এৰি দিয়া লোক... লোভ, ঈৰ্ষা আৰু অনাহক জেদৰ বশৱৰ্তী হৈ দুয়োটা সম্প্ৰদায়ে পানীকেই যুদ্ধৰ আলম কৰি ল'লে...

বাকী দুয়োঃ পা-নী-ক লৈ যুদ্ধ তাৰ মানে পানী যুদ্ধ??

গাঁওবুঢ়াঃ যুদ্ধ নহয় ভাই, সমৰ !! ... মহা সমৰ এক আত্মঘাতী আৰু প্ৰকৃতি ধ্বংসকাৰী মহা জ-ল-স-ম-ৰ!!
.. দুয়োটা ফৈদৰ দলপতিসকলে প্ৰজাবোৰৰ দ্বাৰা বিপক্ষৰ পৰা পানী নিজৰ পিনে লৈ যোৱাৰ ব্যৱস্থা কৰিলে। তাকে লৈ মাৰামাৰি কাটাকাটি বাঢ়ি গ'ল। প্ৰতিপক্ষই যাতে সেই পানী ব্যৱহাৰ কৰিব নোৱাৰে... তাৰ বাবে ইটো পক্ষই সিটো পক্ষৰ পানীত বিহ পৰ্য্যন্ত দিলে...। সেই বিষাক্ত

পানী ব্যৱহাৰ কৰি মানুহটো মৰিলেই.. জীৱ - জন্তু, জলজ উদ্ভিদ, মাছ- পুঠি সকলো উছন হ'ল।
**(কৰুণ সংগীত প্ৰাৰ্থনা)**

জীৱনৰ অন্যতম আধাৰ পানীয়েই যেতিয়া মাৰাত্মক ভাৱে বিষাক্ত হৈ পৰিল .... ই ক্ৰমান্বয়ে বায়ু, মাটি সকলোতে বিয়পি পৰিল.... এসময়ৰ সজীৱ, জীৱন্ত এটা এলেকা ... এক বিৰাট বিস্তিৰ্ণ মৰুভূ ৰূপী বকৰাণী আৰু ধূলি বালিময় এলেকাত পৰিনত হৈ পৰিল...

**(কৰুন সুৰ... প্ৰাৰ্থনা)**

বাকী দুয়োঃ সেই বিষ, সেই হলাহল পান কৰিও.. নীলকণ্ঠৰ দৰে বাচি থাকিল মাত্ৰ এই বটবৃক্ষ জোপা..

গাঁওবুঢ়াঃ ... হয়তো অনাগত প্ৰজন্মক সকীয়াই থাকিবৰ কাৰনেই যে....

বিজয়ঃ .. পানী প্ৰকৃতিৰ এক মাত্ৰ দান, -- জীৱ - জন্তু, পশু - পক্ষী, মানুহ- প্ৰকৃতি সকলোৰে বাবেই...
বিকাশঃ .. ক্ষুদ্ৰ স্বাৰ্থ আৰু মিছা অহংকাৰৰ তাগিদাত ইয়াক সুদূৰ কাৰণ কৰি ল'ব নাপায়.....

গাঁওবুঢ়াঃ .... ল'লে অকল জীৱনলয়েই বিপদ নাহে....

বিজয়ঃ ... প্ৰকৃতিও ৰুষ্ট, ৰুগ্ন আৰু ঘুণীয়া হৈ পৰে...

তিনিওঃ .... এক দীৰ্ঘম্যাদী, সহজ লাঘৱ কৰিব নোৱাৰা দুৰ্যোগে মানৱতাক তিল তিলকৈ বিপদৰ গৰাহলৈ ঠেলি থাকে...

**(কৰুণ সংগীত)**
বিজয়ঃ হয় দিয়ক আগৰৱাল ডাঙৰীয়া !.... এক হৃদয়বিদাৰক মৰ্মস্পৰ্শী ঘটনা ।... পিছে আটাইতকৈ দুখৰ কথা কি জানে ?
বাকী দুয়োঃ কি ?

বিজয়ঃ ... এনেবোৰ আত্মঘাতী ঘটনাৰ পৰা .... আমি পিছৰ প্ৰজন্মবোৰে এতিয়াও শিক্ষা ল'ব পৰা নাই...
বিকাশঃ ... এতিয়াও আমাৰ দেশত ওচৰা-ওচৰিকৈ থকা ভালেমান ৰাজ্যৰ মাজত নৈৰ পানীৰ

ভাগ বটৰা লৈ কাজিয়া - পেচাঁল, আইনী যুঁজ বাগৰ আদি চলিয়েই আছে...

গাঁও বুঢ়াঃ ক'ৰবাত ক'ৰবাত তো ওচৰা-ওচৰি ৰাষ্ট্ৰৰ মাজতো পানীৰ বিবাদে যুদ্ধৰো সৃষ্টি কৰাৰ উম-ঘাম চলিব ধৰিছে....... এইবোৰ, এইবোৰ ... সচাঁকৈয়ে আত্মঘাতী পদক্ষেপ...

বিজয়ঃ কেৱল দুটা ফৈদ বা দুখন ৰাজ্যৰ মাজতেই বা দুখন ৰাষ্ট্ৰৰ বিৰুদ্ধেই নহয়...

বিকাশঃ .... এয়া, এয়া যেন.... স্বয়ং মা-ন-ৱ-তা-ৰ বিৰুদ্ধেই এক সৰ্বনাশী আত্মঘাতী পদক্ষেপ....

গাঁওবুঢ়াঃ (হুমুনিয়াহ কাঢ়ি) বলক, সন্ধিয়া চাপি আহিব ধৰিছে, সন্ধিয়াৰ আগে আগে আমি গৈ উচৰৰ সৰু গাঁওখন পাবই লাগিব; নহ'লে ৰাতি বিয়লি বিপদো আহিব পাৰে।

বাকী দুয়োঃ .... ব'লক।

**(গাড়ী ষ্টাৰ্ট দিয়াৰ শব্দ)**

## দৃশ্য ৪

(গাঁও পোৱাৰ কুৰি কিলোমিটাৰ মান আগতে পোৱা টম্বুৰ সন্মুখত গাড়ী ৰখাই তিনিও নামে।)

বিজয়ঃ উস্ ৰক্ষা দে অ' বিকাশ! ...... দিনটো গাড়ী চলাই ইমান দূৰ আহিলো, ক'তো জনপ্ৰানী এটাও নেদেখিলো....। এইবাৰ.... সেই, সেই তাতে টম্বুবোৰ যে দেখিছ তাত নিশ্চয় কাৰোবাক লগ পাম......

বিকাশঃ গাঁও পাঁও - পাঁও বোলে হৈছিলোৰেই ! তেনেস্থলত গাঁওবুঢ়া চাহাবে বা আকৌ ইয়াতে এই টম্বুবোৰ দেখি .. ইয়াতেই কিয় নামিবলৈ মন কৰিলে বা.... ??

বিজয়ঃ জানো! তেঁও খা খবৰ লৈ আহিলেহে গম পাম.... এনে পৰিস্থিতিত তেঁওৰ কথামতেই চলা ভাল হ'ব যেন পাইছো...

বিকাশঃ এ-এ-এই বিজয় দেখিছ নে নাই ? টম্বুৰ সমুখত দুই এটা মানুহো দেখিছো, তেওঁলোকে কাপোৰ-কানি ছপাইছে.....
বিজয়ঃ অ' অ' তাৰ মানে... তেঁলোকো আমাৰ দৰেই কিহবাৰ 'অভিযাত্ৰী' !! তেঁওলোকৰ বা উদ্দেশ্য

কি ? ... অ’ সেয়া চা ! আমাৰ গাঁওবুঢ়া চাহাব আহিলেই...

বিকাশঃ খবৰ ভালনে আগৰৱাল ভাই ? ?

গাঁওবুঢ়াঃ ভাল মানে বি-ৰা-ট ভাল। ... ৰাতিটোৰ বাবে ইয়াতেই ব্যৱস্থা হৈ যাব। খোৱা - লোৱাৰ ব্যৱস্থাও হৈ যাব !! ....... খালি প্ৰফেচৰ ধৃতিমানৰ অনুমতি ল’ব লাগিব।

বিজয়ঃ প্ৰফেচৰ ধৃতিমান ?

গাঁওবুঢ়াঃ অ’।। ইয়াত তেঁওৰ আন্ডাৰ্তেই সব চলিছে।

বিকাশঃ বাঃ বঢ়িয়াতো !! আজি আমাৰ দিনেই ভাল। আমাৰদৰেই আৰু এজন অভিযাত্ৰীক পাম....।

দুয়ো ঃ তেনেহ’লে, ব’লক আগৰৱাল ভাই প্ৰথমতে টম্বুৰ দোকানতেই বহি... হাত - মুখ ধুই লওঁ..

গাঁওবুঢ়াঃ ... আৰু গৰম গৰম স্পেচিয়েল ৰাজস্থানী চাহ একাপ একাপ.....

বাকী দুয়োঃ নিশ্চয়, নিশ্চয়। ব’লক, ব’লক সোনকালেই ব’লক....

**দৃশ্য পাঁচ**

(টম্বুৰ চাহ দোকানত তিনিও চাহ খাই কথা পাতি আছে।)

বিজয়ঃ সঁচ্চাই ভাই কান্হা তোমাৰ স্পেচিয়েল চাহৰ তুলনা নাই, একদম...

তিনিওঃ .... লা... জবাব !

কান্হাঃ ... সব আপোনালোকৰেই আশীৰ্বাদ চাৰ !

(ধৃতিমান সোমাই আহে কৈ কৈ)
ধৃতিমানঃ কান্হা ভাই ! মোৰ স্পেচিয়েল চাহ আৰু নমকিন এক প্লেট....

কান্হাঃ দি আছো চাৰ ! ...... আ পোনাৰ বাবে ভাল খবৰ আছে চাৰ ! !

ধৃতিমানঃ কি ?

কান্হাঃ আজি আপোনাৰ অসমৰ পৰা দুজন ডেকাও আহিছে চাৰ আপোনাক লগ পাবলৈ ৰৈ আছে.. সৌৱা সেই তাতে বহি....

ধৃতিমানঃ বৰ ভাল কথাতো !

(গাঁওবুঢ়া প্ৰমুখ্যে তিনিও আগ বাঢ়ি আহে।)

তিনিওঃ ধৃতিমান চাৰ ! নমস্কাৰ ! !

ধৃতিমানঃ নমস্কাৰ ! নমস্কাৰ ! !..... বাৰু ! আপুনিতো .... জলেবীপুৰ গাঁও পঞ্চায়তৰ গাঁওবুঢ়া....

গাঁওবুঢ়াঃ ঠিকেই ধৰিছে চাৰ ! ..... মই গৌৰীশংকৰ আগৰৱাল ! ..... যোৱা বছৰ এখ ন জনসভাত আপোনাক পাইছিলো চাৰ ! ... আপুনি কিন্তু মোক ঠিকেই মনত ৰাখিছে চাৰ..... ! !

ধৃতিমানঃ ... আৰু এঁওলোক, এঁওলোক নিশ্চয় কান্হা ভায়ে কোৱা আমাৰ অসমৰ দুই ডেকা শক্তি....

বিজয়ঃ হয় চাৰ মই বিজয় চক্ৰৱৰ্তী আৰু

বিকাশঃ আৰু মই বিকাশ শৰ্মা।

দুয়োঃ নমস্কাৰ চাৰ

ধৃতিমানঃ নমস্কাৰ ! নমস্কাৰ ! !.... আপোনালোকক লগ পাই বৰ ভাল লাগিল।

গাঁওবুঢ়াঃ চাৰ ! চাহ আনে মানে আমি ইয়াতেই বহি...
ধৃতিমানঃ নিশ্চয় ! নিশ্চয় !! (চাৰিও বহে) বহক। ..... মই অৰুনাচল বিশ্ববিদ্যালয়ত পুৰাতত্ব বিভাগৰ প্ৰফেচৰ। ..... এটা প্ৰফেচৰ কামত মোৰ ডক্তৰেটৰ ছাত্ৰ কেইজনমানক লৈ ইয়াত এমাহৰ বাবে

কাম কৰিবলৈ আহিছো....

বিজয় আৰু বিকাশঃ বৰ ভাল কথা চাৰ! বৰ ভাল কথা!!

বিজয়ঃ আমি চাৰ অসম অভিযাত্ৰী দলৰ সদস্য। এটা স্বেচ্ছাসেৱী সংগঠন চাৰ!

ধৃতিমানঃ বৰ ভাল ! বৰ ভাল!

বিকাশঃ সম্প্ৰতি আমি আমাৰ দেশত বিকাশৰ গতি-বিধি আৰু সেইবোৰৰ বাস্তৱতা অধ্যয়নৰ বাবে ইয়ালৈ আহিছো চাৰ।

বিজয়ঃ ইয়াৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ ভিত্তিত অহা তিনি বছৰৰ ভিতৰত আমি আৰু তিনিখন ৰাজ্যত একে ধৰনৰ অধ্যয়নেই কৰিম চাৰ।

ধৃতিমানঃ বৰ ভাল প্ৰজেক, বৰ ভাল প্ৰকল্প আচলতে চাওক... স্বাধীনতাৰ এই সত্তৰ বচৰৰ ভিতৰত দেশে বিভিন্ন ক্ষেত্ৰত বিকাশৰ বাবে বিভিন্ন আঁচনি কাৰ্যকৰী কৰি আহিছে। ... সেইবোৰৰ কিছুমান সফল হৈছে, কিছুমান বিফল হৈছে... আৰু কিছুমান আধাতেই এৰা পৰিছে। কিছুমান আকৌ ৰাইজৰ কামৰ নহয় বুলি ৰাইজে নিজেই সঁহাৰি দিয়া নাই....

বিকাশঃ হয় চাৰ বিকাশৰ নামত আঁচনি এখন লোৱাটেৱেই একমাত্ৰ কথা নহয়। আচলতে বিকাশক গতিশীল কৰি ৰখা, বিকাশৰ গতি অব্যাহত ৰখা... মানে বিকাশক বজাই ৰখা, বৰ্তাই ৰাখিব পৰাটোহে আচল কথা.....

ধৃতিমানঃ হয় সঁচা কথা ! আমি কাৰিকৰী ভাষাত ইয়াক বহনক্ষম বিকাশ বুলিয়েই কঁও। ইংৰাজীতে চাষ্টেইনেবল ডেভেলপমেন্ট। এই ধাৰনাটোকেই এতিয়া বিশ্বৰ বিভিন্ন দেশে অগ্ৰাধিকাৰৰ ভিত্তিত আগ বঢ়াই নিব ধৰিছে। .... বহনক্ষম বিকাশৰ ধাৰনাই বিকাশৰ সকলো দিশেই সামৰি লয় আৰু সেই বাবেই ইয়াত বিফলতাৰ মাত্ৰা কম.....

গাঁওবুঢ়াঃ সকলো দিশ মানে, চাৰ?

ধৃতিমানঃ অতীত, বৰ্তমান আৰু ভবিষ্যৎ......

বিজয়ঃ মানে ... একো...একোটা এলেকাৰ মানুহৰ কালি, আজি আৰু কাইলৈ...

ধৃতিমানঃ এৰা সেইটোৱেই কথা!! ... এই ধৰকছোন, এই বৃহৎ এলেকাটো সম্পূৰ্ণ বকৰানি, অনুৰ্বৰ, বালিৰে ভৰা। পিছে, প্ৰশ্ন হয়, -- এই এলেকাটো আৰম্ভনিৰে পৰাই এনে আছিল, নে কিছুমান বিযেশ কাৰনত ই পৰ্য্যাই ক্ৰমে এনেকুৱা অৱস্থা পাইছেহি। এয়াই হ'ল ইয়াৰ অতীত....। ... এই কথাবোৰ জানিব পাৰিলে, আমি কি কৰিব লাগিব... তাৰ কথা চিন্তা কৰিব পাৰিম। .. সেই কথা জানিবৰ বাবেই আমি .... এই এলেকাৰ বিভিন্ন স্তৰৰ মাটি পুংখানুপুংখ ভাৱে পৰিক্ষা কৰি আছো....

বিকাশঃ তাৰ মানে চাৰ!! এই এলেকাটো আগতে এনে ধৰনৰ বকৰানী বা বালিময় নাছিল নেকি?

ধৃতিমানঃ ইতিহাস আৰু কিম্বদন্তীয়ে তো তাকেই কয়। .... কথাটো সকলোৱে সহজে মানি ল'বলৈ টান পাব পাৰে; কিন্তু কথাটো অসম্ভৱ নহয়। ... সময়ৰ সোঁতত ভৌগোলিক পৰিবৰ্তনৰ বাবেও এনে বিৰূপ পৰিবৰ্তন ঘটিব পাৰে আৰু ... কেতিয়াবা আকৌ মানুহৰ মূৰ্খামি আৰু অপকৰ্মৰ বাবেও এনে ঘটিব পাৰে...

গাঁওবুঢ়াঃ হয় চাৰ! আমি আহোঁতে বাটত পোৱা সেই বটবৃক্ষডাল বিজয় ভাইহঁতক দেখুৱাই আনিছো। তাৰ স'তে জড়িত ঘটনাবোৰো কৈছো চাৰ।

বিজয় আৰু বিকাশঃ হয় চাৰ!

বিজয়ঃ বকৰানি আৰু বালিময় এলেকাত থকা সেই বটবৃক্ষডালে ....

দুয়োঃ .... আপোনাৰ ব্যাখ্যাকেই সমৰ্থন কৰে।

ধৃতিমানঃ এৰা অকল ইয়াত বা আমাৰ দেশত বুলিয়েই নহয়। ... পৃতিৱীৰ বিভিন্ন দেশৰ বিভিন্ন সভ্যতাত এনে ঘটনা বহুতেই আছে...। ... এসময়ৰ সুজলা - সুফলা - শস্য - শ্যামলা ভূখন্দ ... নিৰ্জল বালিময় বা খেতি - বাতি আৰু বাসৰ অনুপযোগী হৈ পৰাৰ উদাহৰণ আৰু বহুতেই আছে... ।ইয়াৰ ফলত একো একোটা উন্নত সভ্যতা ধ্বংস হৈ যোৱাৰ উদাহৰনো কম নহয়...

**(কৰুণ সংগীত)**

মেচ'প'টেমিয়া মধ্য প্ৰাচ্যৰ এই দেশখনৰ প্ৰাচীন সভ্যতা সংস্কৃতিৰ কথা আমি প্ৰায় সকলোৱেই জানো। ঈদেণৰ অপূৰ্ব উদ্যান, মহাপ্লাৱন আৰু 'নোৱাৰ আৰ্ক'ৰ কাহিনী আদিৰে অবিস্মৰণীয় সেই মেচ'প'টেমিয়াত এসময়ত ঘ ন বসতিপূৰ্ণ, সুন্দৰ সুন্দৰ নগৰ - অট্টালিকাৰে পূৰ্ণ অঞ্চলেই আছিল

বিকাশ আৰু বিজয়ঃ চাৰে নিশ্চয় আধনিক ইৰাক অঞ্চলৰ কথাই ক'ব খুজিছে...

ধৃতিমানঃ হয়।

কান্হাঃ চাৰ! আপোনালোকৰ স্পেৰিয়েল চাহ আৰু নমকিন।
ধৰিতিমানঃ থোৱা। .. এঁওলোককো মোৰ ফালৰ পৰা আৰু একাপ একাপ...

কান্হাঃ হ'ব চাৰ।
বাকি তিনিওঃ ধন্যবাদ চাৰ!

ধৰিতিমানঃ অ' মেচ'প'টেমিয়া ... মানে আধুণিক ইৰাক।

বিজয়ঃ তাত তো দুখন বেছ ডাঙৰ নদীয়েই আছিল..
বিকাশঃ .. টাইগ্ৰীচ আৰু ইউফ্ৰেটিচ।

বিজয়ঃ শুকান জলবায়ুত তেঁওলোকে এই দুয়োখন নদীৰ পৰা খাল কাটি পানী বোৱাই নি বেছ খেতি- বাতিও কৰিছিল...

গাঁওবুঢ়াঃ মানে আজি-কালি তাক আমি জলসিঞ্চন ব্যৱস্থা বুলি কঁও... ঠিক সেয়েই।

ধৃতিমানঃ এৰা ! সেই যুগত নৈৰ পৰা খাল কাটি খেতি কৰাটো এক বিযেশ বিকাশৰ আঁচনিয়েই আছিল। ...ধাৰনাটো পোনপটীয়া , গতিকে ইয়াৰ পানী বোৱাই নি খেতিৰ উন্নতি কৰিব লাগে। ইয়াত দোষৰ কথা একোৱেই নাই। ... পিছে, বিকাশৰ সেই পদ্ধতি দীঘলীয়াকৈ টিকি থাকিব নাই, বৰ্তি থাকিব নে নাই, -- এনেবোৰ আনুষংগিক কথা, হয় সেই সময়ত চিন্তাই কৰা হোৱা নাছিল, -- বা, সেইসময়ৰ পৰিকল্পনাকাৰী সকলে ভাবিবই পৰা নাছিল।

বিজয়ঃ তাত কিবা সমস্যা বা প্ৰত্যাহ্বান আছিল নেকি ?

ধৃতিমানঃ আছিলতো ... আৰু সেই সমস্যা হিচাপত নলৈ বিকাশ কৰিবলৈ যোৱা বাবে সেই অঞ্চলৰ লোকে জীয়াতু ভুগিবলৈ ধৰিলে। ... আনকি সেই শক্তিশালী সাম্ৰাজ্য আৰু উন্নত সভ্যতাও নিশ্চিহ্ন হৈ গ'ল...

তিনিওঃ কেনেকৈ চাৰ ? ?

ধৃতিমানঃ দুয়োখন নৈৰ পানীয়েই গেদভৰা মানে বোকামাটি বা পলসেৰে ভৰা। ..খালেৰে ধোৱাই নিয়া পানীৰ গতি যেতিয়া ঢিমা মানে মন্থৰ হৈ পৰে, তেতিয়া খালৰ মুখবোৰ বন্ধ হৈ পৰে। তেতিয়া পথাৰলৈ পানী যোৱাটোও বন্ধ হৈ পৰে... ।

গাঁওবুঢ়াঃ মানে জলসিঞ্চনত বিৰাট বিজুতি, সম্পূৰ্ণ বন্ধ।

বিজয়ঃ কিন্তু চাৰ! বন্ধ মুখবোৰ বোকামাটি কাটি পেলাই খুলি দিলেই দেখোন....

ধৃতিমানঃ তাত্বিকভাৱে সেইটোৱেই একমাত্ৰ সমাধান। পিছে ....

তিনিও ঃ পিছে কি চাৰ?

ধৃতিমানঃ যেতিয়া জনসংখ্যা বাঢ়ি আহিল, খেতি কৰা লোকৰ সংখ্যাও বাঢ়ি আহিল। তাৰ ফলত বাৰু কি হ'ব পাৰে...?

গাঁওবুঢ়াঃ নৈৰ পৰা কটা খালৰ সংখ্যাও বাঢ়িব ধৰিলে নিশ্চয়

ধৃতিমানঃ এৰা! সেইটোৱেই কথা। প্ৰত্যাকটো খালৰেই মুখবোৰ বছৰেকত কমেও দুবাৰকৈ কাটি চাফা কৰিবলগিয়া হ'ল। কামটো বিৰক্তিকৰ আৰু কষ্টকৰ. .. কিছুমানত আকৌ কেৱল মুখবোৰ চাফা কৰিলেই নোহোৱা হ'ল। পানী বোৱাই ৰাখিবৰ বাবে মুখৰ পৰা ভালেমান দূৰলৈকে বোকা মাটি গুচাব লগীয়া হ'ল...। ক্ৰমান্বয়ে সমস্যাটোই ব্যাপক তথা ভয়াবহ ৰূপ লোৱাত..... বেবিলনৰ সম্ৰাটে যুদ্ধবন্দীবোৰক এই কামত লগালে...

বিজয়ঃ তাৰ মানে সমস্যাৰ সমাধান হৈ গ'ল!!

ধৃতিমানঃ ওঁহো নহ'ল!! একেবাৰেই নহ'ল!! খৰালি নৈৰ পানী কমি গ'লে জলস্তৰ নামি যায়। তেতিয়া আকৌ খালবোৰ আৰু দ' কৈ খান্দিবলগীয়া হয়।

বিকাশঃ সেয়াওতো এক বি-ৰা-ট বিড়ম্বণা।

ধৃতিমানঃ তাৰ উপৰিও দেশত আভ্যন্তৰীন বিদ্ৰোহ আৰু আন দেশৰ সৈতে কৰা যুদ্ধবিগ্ৰহ বোৰ আছিলেই। এনেবোৰ সময়তো যুদ্ধবন্দীসকলক খালৰ মুখ খন্দা কামত লগাব পৰা নগৈছিল। ফলত খেতি-বাতিৰ ক্ষয়-ক্ষতি বহু বেছি পৰিমানেই হৈছিল আৰু উদ্যমী লোকসকলে...

গাঁওবুঢ়াঃ .... গাঁও - চহৰ এৰি বেলেগ ঠাইলৈ গুচি গৈছিল।

ধৃতিমানঃ এৰা   সেইটোৱেই মেচ'প'টেমিয়াৰ অৱক্ষয় আৰু অধঃপতণৰ আন এটা গুৰুত্বপূৰ্ণ কাৰণ !

বিজয়ঃ তাৰ মানে চাৰ   বিকাশ বৰ্তাই ৰাখিব পৰাকৈ যিবোৰ সতৰ্কতা বা পদক্ষেপ ল'ব লাগিছিল, সেইবোৰ তেঁওলোকে লোৱা নাছিল বা ল'ব জনা নাছিল...

বিকাশঃ সেই সময়ত তেনেবোৰ সমস্যা সমাধান কৰাৰ বাবে প্ৰযুক্তিও বোধকৰো সিমান উন্নত নাছিল।

ধৃতিমানঃ সেই কথাও একে আষাৰতে কোৱা টান; কিন্তু এটা কথা ঠিক যে .... বচাই বৰ্তাই ৰখা মানে বহনক্ষম বিকাশৰ ধাৰনাটো তেঁওলোকে ব্যৱহাৰ কৰা নাছিল।

বিজয়ঃ চাৰ! এই সন্দৰ্ভত আমাৰ  অসমৰ ৰজা- মহাৰজা আৰু মহাৰানীসকলে ... পানীৰ বাবে কৰা বিশেষ একোটা কামৰ কথাই মনলৈ আহিছে।

ধৃতিমানঃ কি কথা বিজয় ?

বিজয়ঃ অসম এখন নদী মাতৃক আৰু বৰষুণ প্ৰধান ৰাজ্য। তেনে হোৱা সত্বেও আহোম ৰজা সকলে মঠ-মন্দিৰৰ লগতে একোটাকৈ পুখুৰীৰ ব্যৱস্থা কৰি দিছিল। তাৰ উপৰিও, তেঁওলোকে ঠায়ে ঠায়ে ভালেমান সৰু - ডাঙৰ পুখুৰীও খন্দাই দিছিল। ... এইবোৰ একেবাৰে শুকাই যোৱাৰ কথাই নাই। খৰালি পানী কমি গ'লেও, বাৰিষাত এইবোৰ চপ্‌চপীয়া হৈ পৰে। .. গতিকে এইবোৰ প্ৰাকৃতিক ভাৱেই নিয়ন্ত্ৰিত হৈ থকা পানী যোগান ব্যৱস্থা। এইবোৰক চাৰ  আমি বহনক্ষম বিকাশৰ উদাহৰণ বুলি ক'ব পাৰো নে ?

ধৃতিমানঃ নিশ্চয় পাৰো। ... বিজয়ে খুউব ভাল কথাকেই চিন্তা কৰিছা। .. প্ৰশ্ন হয়, তেতিয়াৰ দিনত তো আজিৰদৰে বহনক্ষম বিকাশৰ ধাৰণাৰ উদ্ভৱ হোৱা নাছিল  তেনেহ'লে ৰজাসকলে তেনে ব্যৱস্থা কিয় কৰিবলৈ গ'ল ?

বিজয়ঃ কথাষাৰ আমি চাৰ  ! এনেদৰেও ভাবিব পাৰো নেকি ? ... নৈ পৰীয়া লোকৰ বাবে নৈখনেই পানীৰ প্ৰায়বোৰ চাহিদা  পূৰণ কৰিব পাৰে;  কিন্তু নৈৰ পৰা আঁতৰত থকা বোৰৰ বাবে, আছুতীয়াকৈ পানীৰ ব্যৱস্থা কৰিব লাগিব।
ধৃতিমানঃ নিশ্চয়।

বিজয়ঃ এইটোৱেই হ'লগৈ আজিৰ কাৰিকৰী ভাষাত ক্ষেত্ৰ- অধ্যয়ন বা বাস্তৱতাভিত্তিক দৃষ্টিভংগী। ইয়াৰ ভিত্তিতেই সেই যুগৰ সহজলভ্য তথা নিৰাপদ কাৰিকৰী কৌশলৰ ব্যৱস্থাৰেই হৈছে পুখুৰী খন্দা কামৰ মূল চালিকা শক্তি.... তথা বৰষূণৰ পানী সংৰক্ষণৰ ব্যৱস্থা।

বিকাশঃ তাৰোপৰি পুখুৰী বা জলাশয় প্ৰকৃতিৰ অবিচ্ছেদ্য অংগ। ই প্ৰকৃতি বিৰোধী নহয়, প্ৰকৃতি ধ্বংসকাৰীও নহয় -- বৰং ই প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ সহায়কো। তদুপৰি পুখুৰীবোৰ ভাল আৰু কাৰ্য্যক্ষম কৰি ৰখাৰ বাবে চোৰা-চিতা কৰাৰ খৰচ আৰু শ্ৰমো বেছি নহয়। সেই কাম ৰাইজে সহজেই কৰিব পাৰে....

ধৃতিমানঃ এৰা! তোমালোকে আগবঢ়োৱা এই ব্যাখ্যা আৰু বৈশিষ্ট্যবোৰকেই আজি বিজ্ঞান-প্ৰযুক্তিয়ে বহনক্ষম বিকাশৰ বৈশিষ্ট্য বুলি গ্ৰহন কৰিছে। .. এইবোৰৰ ভিত্তিত বহনক্ষম বিকাশৰ এক কাৰ্য্যদক্ষ সংজ্ঞা আমি নিশ্চয় এনেদৰে নিৰ্দ্ধাৰণ কৰিব পাৰো, --
প্ৰাকৃতিক ভাৰসাম্য নষ্ট নকৰাকৈ, পাৰিপাৰ্শ্বিকতাৰ সৈতে খাপ খুৱাই, বিকাশৰ সকলো দিশ চালি-জাৰি চাই, .. কম খৰচ আৰু কম আয়াসতে স্থায়ী বা দীৰ্ঘম্যাদী কৰি বজাই ৰাখিব পৰা বা বৰ্তাই ৰাখিব পৰা বিকাশৰ ধাৰনাটোই হ'লগৈ বহনক্ষম বিকাশ....। ইয়াৰ বৈশিষ্ট্য হ'লগৈ....

বিজয়ঃ .... বিকাশৰ ধাৰাৱাহিকতা আৰু গতি ব্যাহত বা স্তিমিত হৈ পৰিব নিদিয়া এক সাৱলীল গতিৰে ইয়াৰ ধাৰিৱাহিকতা অক্ষুণ্ণ ৰখা...

বিকাশঃ .... আৰু বিজ্ঞান - প্ৰযুক্তিৰ সঠিক তথা শুভংকৰী প্ৰয়োগৰ দ্বাৰাই বিকাশৰ আঁচনি কৰি তাক আগ বঢ়াই নিয়া ...

বিজয়ঃ .....ইয়াক সুপৰিকল্পিতভাৱে নিৰাপদ আৰু গণমুখী কৰি তোলা....

ধৃতিমানঃ এৰা ! আপোনালোকে ঠিকেই কৈছে। বাস্তৱমুখী আৰু গণমুখী হোৱাৰ লগতে বহনক্ষম বিকাশৰ মূল বৈশিষ্ট্যটোই হৈছে নিৰাপদ বিকাশ। বিকাশ যদি সামগ্ৰিক ভাৱে সৰ্বতোভাৱে নিৰাপদ নহয়, তেতিয়াহ'লে ই বিনাশৰো কাৰণ হৈ পৰিব পাৰে...

গাঁওবুঢ়াঃ তাৰ মানে চাৰ ! বিকাশ এখন দুমুখীয়া দাৰ দৰেই...। বিকাশ নিৰাপদ নহ'লে ই যাৰ বাবে কৰা হৈছে, তেঁওলোককতো কাটিবই উদ্যোক্তাসকলকো কাটিব....

ধৃতিমানঃ এৰা যধে-মধে হাতত লোৱা বিকাশৰ ক্ষেত্ৰত আজীৱেপৰা এতিয়ালৈকে থিক সেই কথাই প্ৰমাণিত হৈ আহিছে। কিন্তু বহনক্ষম বিকাশৰ ধাৰনাত বিনাশৰ আশংকা প্ৰায় নায়েই...। সেই কাৰনে এতিয়া এই শতিকাৰ আটাইতকৈ বেছি অগ্ৰাধিকাৰ পাবলগীয়া বিষয়টোৱেই হ'লগৈ..

চাৰিওঃ ...... ব-হ্ন - ক্ষ - ম বি-কা-শ মানে.....
অবিৰাম বিকাশৰ অবিৰত খোজ, ...................
নিৰাপত্তাই যাৰ একমাত্ৰ ভূষণ....................

ধৃতিমানঃ .......... আমি আটায়ে এই বহনক্ষম বিকাশৰ বাবেই ...... খোজত খোজ মিলাই আগ বাঢ়ো..... আৰু সমস্বৰে গাঁও

**(শীৰ্ষক গীতৰ তৃতীয় কলি)**

..................................................................................................................................................

**প্ৰশ্ন ঃ**
১. মেচ'প'টেমিয়াৰ সভ্যতা - সংস্কৃতি আৰু সাম্ৰাজ্যৰ অৱক্ষয় তথা বিলুপ্তিৰ এটা কাৰণ কৃষিকাৰ্য্যত লোৱা বিকাশৰ আছঁনি। সেই কামত ব্যৱহাৰ কৰা নৈ দুখনৰ নাম কি ?

-- টাইগ্ৰীচ আৰু ইউফ্ৰেটিচ।

২. অসমত আহোম ৰজাসকলে প্ৰজাক পানীযোগানৰ নামত বহনক্ষম বিকাশৰ এক উল্লেখযোগ্য প্ৰক্ৰিয়া দান দি গৈছে। এইটো কি ?

-- ঠায়ে ঠায়ে পুখুৰী খন্দা।

..................................................................................................................................................